**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাব'ৰ' ছুবিয়াণ্টৰ সৈতে যোগ্যাকৰ্তাত থকা ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ প্ৰম্বানন মন্দিৰ দৰ্শন কৰে।

২।	ভাৰত আৰু ইণ্ডোনেছিয়াই উচ্চ শিক্ষাৰ দিশত সহযোগিতা সুদৃঢ় কৰাৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে।

৩।	দেশৰ হস্ততাঁত খণ্ডক শক্তিশালী কৰাৰ বাবে বস্ত্ৰ মন্ত্ৰালয়ে HANDLOOM-HACKATHON-২০২৬ আৰম্ভ কৰিছে।

৪।	ভাৰতে সামগ্ৰী চুক্তিৰ সৈতে জড়িত ত্ৰয়োদশ এছিয়ান-ভাৰত বাণিজ্যৰ বাবে নতুন দিল্লীত যুঁটীয়া সমিতিৰ বৈঠকৰ আয়োজন কৰিছে।

আৰু

৫।	বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল খেলসমূহ পৰহিলৈৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাব'ৰ' ছুবিয়াণ্টৰ সৈতে দেশখনৰ যোগ্যকৰ্তাত থকা ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ প্ৰম্বানন মন্দিৰ দৰ্শন কৰে। মন্দিৰ চৌহদত প্ৰধানমন্ত্ৰীগৰাকীক দেশখনৰ থলুৱা সংগীত আৰু শাস্ত্ৰীয় নৃত্যৰে আদৰণি জনোৱা হয়। দুয়োদেশৰ নেতা দুগৰাকীয়ে নৱম শতিকাত নিৰ্মিত এই প্ৰাচীন মন্দিৰটো দৰ্শন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে তাত থকা শিৱ মন্দিৰত পূজা-অৰ্চনা কৰে। দুয়োগৰাকী নেতাই মন্দিৰত খোদিত আটকধুনীয়া নক্সা আৰু কলাকৃতিসমূহো প্ৰত্যক্ষ কৰে। এটা যুঁটীয়া বিবৃতিত ৰাষ্ট্ৰপতি প্ৰাব'ৰ' আৰু প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে প্ৰম্বানন মন্দিৰ ভাৰত আৰু ইণ্ডোনেছিয়াৰ শতিকা পুৰণি সভ্যতাৰ বান্ধোনৰ প্ৰতীক স্বৰূপ।

বাইট

ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে মন্দিৰটোৰ পুনৰ উদ্ধাৰ আৰু সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতৰ সহযোগিতাৰ শলাগ লৈ কয়, যে সাংস্কৃতিক বিনিময়ে ৰাষ্ট্ৰ দুখনৰ মাজত সম্পৰ্ক শক্তিশালী সেঁতু গঢ়িব। প্ৰধানমন্ত্ৰী মোদীয়ে মন্দিৰ চৌহদ দৰ্শন কৰাটো গভীৰভাৱে আধ্যাত্মিক আৰু স্মৰণীয় অভিজ্ঞতা বুলি অভিহিত কৰে। তেওঁ প্ৰায় ১২ শতিকা জুৰি এনেধৰণৰ গৌৰৱময় ঐতিহ্য সংৰক্ষণ কৰাৰ বাবে ইণ্ডোনেছিয়াৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে।

বাইট

উল্লেখযোগ্য যে ভাৰত আৰু ইণ্ডোনেছিয়াই প্ৰম্বানন মন্দিৰ চৌহদৰ সংৰক্ষণৰ বাবে সমন্বিত কাৰ্যসূচীৰ শুভাৰম্ভ কৰিছিল। অতীজতে এই মন্দিৰ চৌহদত চাৰিটা সমকেন্দ্ৰিক শাৰীত বিভক্ত কৰা ২২৪ টা মন্দিৰ আছিল। ইয়াৰে ছটা এতিয়ালৈকে পুনৰুদ্ধাৰ কৰা হৈছে যদিও দুই শতাধিক ধ্বংসাৱশেষৰ মাজত আছে। প্ৰত্নতাত্বিক বিশেষজ্ঞ দল আৰু আধুনিক প্ৰযুক্তিৰ সহায়েৰে মন্দিৰ চৌহদৰ উত্তৰ-পূব দিশত এই সংৰক্ষণ

কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। বৈজ্ঞানিক অনুসন্ধান, কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত ডিজিটেল পুনৰগঠনকে ধৰি বিভিন্ন পদ্ধতিৰে এই কাম কৰা হ'ব। উল্লেখযোগ্য যে নৱম শতিকাত ইণ্ডোনেছিয়াত মাতাৰাম সাম্ৰাজ্যৰ সময়ত নিৰ্মিত এই সৰ্ববৃহৎ হিন্দু মন্দিৰ চৌহদক ১৯৯১ চনত ইউনেস্ক'ই বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদান কৰে।

০০০০০০০০০

ভাৰত আৰু ইণ্ডোনেছিয়াই উচ্চ শিক্ষাৰ দিশত সহযোগিতা সুদৃঢ় কৰাৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। বেংগালুৰুৰ ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এমে ইণ্ডোনেছিয়াত নিজৰ প্ৰথমটো উপ-সাগৰীয় চৌহদ স্থাপন কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ঘোষণা কৰে। পূব জাভাৰ সিংঘাছাৰি বিশেষ অৰ্থনৈতিক মণ্ডলত এই চৌহদটো স্থাপন কৰা হ'ব আৰু এই প্ৰতিষ্ঠানে আছিয়ান খণ্ডৰ শিক্ষাৰ্থী তথা পেছাদাৰীসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে। এই পদক্ষেপে ভাৰত আৰু ইন্দোনেছিয়াৰ মাজৰ শৈক্ষিক সহযোগিতা শক্তিশালী কৰা, উদ্ভাৱনৰ প্ৰসাৰ তথা দক্ষতা বিকাশৰ লগতে দেশ দুখনৰ মাজৰ কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

দেশৰ হস্ততাঁত খণ্ডক শক্তিশালী কৰাৰ বাবে বস্ত্ৰ মন্ত্ৰালয়ে প্ৰযুক্তি, শৈলী, উদ্যমিতা আৰু বহনক্ষম সমাধান কৌশল ব্যৱহাৰ কৰি ৰাষ্ট্ৰীয় উদ্ভাৱন প্ৰত্যাহ্বান HANDLOOM-HACKATHON -২০২৬ আৰম্ভ কৰিছে। ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস, ২০২৬ উদযাপনৰ অংশ হিচাপে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াত পঞ্জীয়নৰ বাবে ২০ জুলাই পৰ্যন্ত অনলাইন ব্যৱস্থা মুকলি থাকিব। ছাত্ৰ-ছাত্ৰী, উদ্ভাৱক, ষ্টাৰ্টআপ গোট, গৱেষক, আৰ্হি প্ৰস্তুত কৰোতা, উদ্যমী আৰু হস্ততাঁত শিল্পীসকলে www.youthideathon.in/handloom ৱেবছাইটত পঞ্জীয়ন কৰি নিজৰ নতুন ধাৰণা থাকিলে দাখিল কৰিব পাৰিব। এই হেকাথনৰ চূড়ান্ত পৰ্যায় অহা ১ আগষ্টত আই আই টি, দিল্লীত উদ্ভাৱন আৰু প্ৰযুক্তি পৰিৱৰ্তন সংস্থা অৰ্থাৎ FITTত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানতে বাছনি কৰা দলসমূহে বিচাৰকৰ সন্মুখত নিজৰ ধাৰণাসমূহ দাখিল কৰিব। এই পদক্ষেপ সন্দৰ্ভত বস্ত্ৰ মন্ত্ৰালয়ৰ উন্নয়ন আয়ুক্ত ড° এম বিনাই কয়, যে হস্ততাঁত হেকাথনৰ জৰিয়তে দেশৰ যুৱক-যুৱতীসকলৰ সৃজনীশীল ধাৰণাসমূহ হস্ততাঁত খণ্ডত প্ৰয়োগ কৰাৰ প্ৰয়াস কৰা হৈছে। শিপিনী, আৰ্হি প্ৰস্তুত কৰোতা, উদ্ভাৱক আদিৰ সন্মিলনে হস্ততাঁত খণ্ডৰ বহনক্ষম বিকাশৰ ক্ষেত্ৰত সহায় কৰিব বুলি তেওঁ কয়।

০০০০০০০০০

ভাৰতে সামগ্ৰী চুক্তিৰ সৈতে জড়িত ত্ৰয়োদশ এছিয়ান-ভাৰত বাণিজ্য অৰ্থাৎ এ আই টি আই জি এ-ৰ বাবে নতুন দিল্লীত যুটীয়া সমিতিৰ বৈঠকৰ আয়োজন কৰিছে। এই বৈঠকতে এছিয়ান-ভাৰত বাণিজ্য চুক্তিৰ পৰ্যালোচনা কৰা হ'ব। যুটীয়া সমিতিৰ বৈঠক আৰু আনুষংগিক বৈঠকসমূহ পৰহিলৈ সামৰণি পৰিব। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই যুটীয়া সমিতিয়ে উপ-সমিতিসমূহক নিজ নিজ ক্ষেত্ৰত কাম কৰিবলৈ কৌশলগত নিৰ্দেশনা প্ৰদান কৰাৰ লগতে এ আই টি আই জি এ-ৰ পৰ্যালোচনা বৈঠকৰ সিদ্ধান্তসমূহ চূড়ান্ত কৰিব।

মন্ত্ৰালয়ে লগতে জনোৱা মতে এ আই টি আই জি এ-ৰ যুটীয়া সমিতিৰ অধীনৰ ৮ খন উপ-সমিতিৰ ভিতৰত সম্প্ৰতি তিনিখনৰ বৈঠক চলি আছে। ইয়াৰ ভিতৰত শুল্ক পদ্ধতি আৰু বাণিজ্য সুবিধাৰ উপ-সমিতি SC-CPTF, ৰাষ্ট্ৰীয় ব্যৱহাৰ আৰু বজাৰ প্ৰৱেশ উপ-সমিতি SC-NTMA আৰু প্ৰকৃত

অধিনিয়ম উপ-সমিতি SC-ROO আছে। বৈঠকসমূহে সহযোগিতা গভীৰ কৰাৰ লগতে পাৰস্পৰিক বুজাবুজি শক্তিশালী কৰা আৰু ভাৰত তথা এছিয়ানৰ মাজত গঠনমূলক আলোচনা আগবঢ়াই নিয়াৰ বাবে কাম কৰিব।

ত্ৰয়োদশ এ আই টি আই জি এ-ৰ যুটীয়া বৈঠকত কালি বাণিজ্য বিভাগৰ যুটীয়া সচিব নীতিন কুমাৰ যাদৱ আৰু মালয়েছিয়াৰ বিনিয়োগ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ উপ-সচিব প্ৰধান মাছতুৰা আহমেদ মুস্তাফাই সহ-অধ্যক্ষতা কৰে। ব্ৰুনেই, কম্বোডিয়া, ইণ্ডোনেছিয়া, লাউছ, মালয়েছিয়া, ফিলিপাইন্স, ছিংগাপুৰ, থাইলেণ্ড আৰু ভিয়েটনাম আদি এছিয়ান দেশসমূহৰ প্ৰতিনিধিসকলে এই বৈঠকত অংশগ্ৰহণ কৰে।

০০০০০০

অসম বিধানসভাৰ যোড়শ অধিৱেশনৰ তৃতীয় দিনৰ কাৰ্যক্ৰমণিকা আজি প্ৰশ্নোত্তৰ ঘণ্টাৰে আৰম্ভ হয়। আজি সদনত অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত হোৱা আলোচনাৰ সময়ত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। মন্ত্ৰী অতুল বৰাই এই প্ৰসংগত বক্তব্য আগবঢ়োৱাৰ সময়তে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। সদনত আজি খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই কৃষকসকলৰ পঞ্জীয়নৰ প্ৰসংগ উল্লেখ কৰে আৰু সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই কয়, যে ৰাজ্যৰ চাৰে ২৬ লাখ কৃষকৰ ভিতৰত প্ৰায় চাৰে ১৮ লাখ পঞ্জীয়নভুক্ত কৃষক। সদনত আজি আন্তঃৰাজ্যিক সীমা সমস্যাক লৈও আলোচনা অনুষ্ঠিত হৈছে। ইপিনে, অহা ১০ জুলাইত বিধানসভাত উত্থাপন হ'বলগীয়া ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেটে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব বুলি বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে জনসাধাৰণে বিধানসভা নিৰ্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে বিজেপিক শাসনভাৰ অৰ্পণ কৰিছে আৰু এইবাৰৰ বাজেটে জনসাধাৰণৰ এই আস্থা আৰু প্ৰত্যাশা পূৰণ কৰিব বুলি তেওঁ আশা কৰে।

২১ দিনীয়া অধিৱেশনত মুঠ ১৬ খন বৈঠক অনুষ্ঠিত হ'ব। অহা ৩১ জুলাইত বাজেট অধিৱেশনৰ অন্ত পৰিব।

০০০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল খেলসমূহ পৰহিলৈৰ পৰা অনুষ্ঠিত হ'ব। পৰহিলৈ বোষ্টন ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি নিশা ডেৰ বজাত হবলগীয়া প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্স মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত কালি ছুইজাৰলেণ্ডে পেনাল্টি শুটআউটত কলম্বিয়াক ৪-৩ গ'লত পৰাস্ত কৰি ১৯৫৪ চনৰ পিছত প্ৰথমবাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। আন এখন খেলত আৰ্জেণ্টিনাই, ইজিপ্তক ৩-২ গ'লত পৰাস্ত কৰে।

০০০০০০০০০

সমাপ্ত